بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُهٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِهِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِهِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ১৫ ছেপ্তেম্বৰত মছজিদ বায়তুল ফুতুহ, মৌৰডন, লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

মুছলমানতকৈ বেছি সংখ্যক লোকে অইন ধৰ্মৰ পৰা আহি আমাৰ লগত যোগ হৈ আছে। ইনশা আল্লাহ এই সংখ্যা লঘু এদিন গৈ সংখ্যা গুৰুত পৰিণত হ'ব। এয়া হ'ল আল্লাহ তায়লাৰ প্ৰতিশ্ৰুতি আৰু আমি তাৰ দৃষ্টান্ত নিতৌ দেখিবলৈ পাই আছো।

তাশ্বাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; আজি কালি পশ্চিমীয়া প্ৰেছ আৰু মিডিয়াই প্ৰশ্ন কৰে যে, আপোনালোকে ইছলামৰ শান্তিকামী শিক্ষা সম্পৰ্কে আলোচনা কৰি থাকে কিন্তু মুছলমানৰ অধিক সংখ্যাকে এই বিষয়ে কোনো কথাই নকয় আৰু তে ওঁলোকে তোমালোকক মুছলমান বুলিও নেভাৱে। আনহাতে বেলেগ মুছলমানৰ তুলনাত আহমদী মুছলমানৰ সংখ্যা বহুত কম। এনে অৱস্থাত মুছলমান সকলক আপোনালোকে কেনেকৈ এই শিক্ষাৰ ওপৰত বিশ্বাসী বনাব ? এই বিষয়ে আমালোকৰ উত্তৰ সদায় এয়া যে; আমি যি ইছলামী শিক্ষা সম্পৰ্কে আলোচনা কৰো সেয়া কোৰ'আন, হাদিছ আৰু আঁহজৰত (ছাঃ) ৰ ছুন্নত দ্বাৰা প্ৰমাণিত ও প্ৰসিদ্ধ। আমাৰ কথা কোনো ধৰণৰ সাৰশূণ্য কথা নহয়। আমি এয়া প্ৰমাণিত কৰিব পাৰো যে ইছলামী শিক্ষা সদায় আল্লাহ তায়লাৰ হ'ক আৰু তাৰ বান্দাৰ হ'ক আদায় কৰিবলৈ শিকায়। যিয়েই নহওঁক প্ৰশ্ন হ'ল বেলেগ মুছলমান সকলক আমি কেনেকৈ এই শিক্ষা অনুসৰি বা বিশ্বাসী বনাম। ইয়াৰ উত্তৰ হ'ল এয়া যে; আঁহজৰত (ছাঃ) ৰ ভৱিষ্যত বাণী অনুসৰি মুছলমান সকল পথ ভ্ৰষ্ট হৈ যোৱাৰ যুগত মছিহ মাওউদ আৰু মাহদী মাওউদৰ আৰ্বিভাৰ ঘটিবলৈ আছে আৰু মুছলমান সকলৰ সংশোধন কৰিবলৈ আছিল আৰু বেলেগ লৈ ইছলামৰ প্ৰকৃত বাৰ্ত্তা প্ৰেৰণ কৰিবলৈ আছিল। গতিকে আল্লাহ তায়লা আঁহজৰত (ছাঃ) ৰ ভৱিষ্যত বাণীৰ পূৰ্ণতা দান কৰি অৱস্থা অনুযায়ী মছীহ মাওউদ ও মাহদী মাওউদক প্ৰেৰণ কৰিছে। তেখেতে আহি আমালোকক ইছলাম আৰু কোৰ'আন কৰিমৰ প্ৰকৃত শিক্ষাৰ সন্ধান দিছে আৰু ইছলামৰ সকলো নিৰ্দেশৰ মহত্ব বৰ্ণনা কৰিছে। আমি আহমদী সকলে, যি সকলে হজৰত মছিহ মাওউদ (আঃ) ক মানি লৈছো, সেই হিচাপে ইছলামী শিক্ষা সম্পৰ্কে মুছলমান আৰু অমুছলমান সকলক জনাই আছো। আমাৰ কাম হ'ল তবলিগ কৰা সেয়ে কৰি আছো আৰু ইনশা আল্লাহ (তবলিগ) কৰিয়ে থাকিম ।

ইলাহি জমাত কেৱল উন্নতিয়ে নহয় বৰং লাহে-লাহে বিস্তাৰ লাভ কৰে আৰু সংখ্যাতো বাঢ়ি গৈ থাকে। আমি সিহঁতক এয়া কওঁ যে, আপোনালোকে কয় যে, বেলেগ মুছলমান সকলক কেনেকৈ এই শিক্ষাৰ ওপৰত চলাম ? যিয়েই নহওঁক জমাত আহমদীয়া বৰ্তমান কৌটি-কৌটি লোকলৈ বিস্তাৰ লাভ কৰিছে। ইয়াত বেছি ভাগেই ইছলামৰ বিভিন্ন ফিৰকাৰ (দল) পৰা আহি যোগদান কৰিছে। যিবিলাক লোকে ইছলামৰ প্ৰকৃত শিক্ষাৰ ওৱাদিহ পাইছে আৰু হজৰত মছিহ মাওউদ (আঃ) ৰ দাবী সম্পৰ্কে গম পাইছে আৰু আঁহজৰত (ছাঃ) ৰ ভৱিষ্যত বাণী বুজি পাইছে, সেই সকলে বিভিন্ন ধৰ্মৰ পৰা আহি জমাতত যোগদান কৰি আছে। ইনশা আল্লাহ এই সংখ্যা লঘু আজি আছে, এদিন এয়া গৈ সংখ্যা গুৰুত ভৰি দিব। প্ৰত্যেক বছৰ লাখ-লাখ লোক জমাত আহমদীয়াত যোগদান কৰি আছে, এওঁলোকৰ বেছি ভাগেই ইছলামৰ বিভিন্ন দলৰ লোক। আমাৰ হাতত সৰঞ্জাম, সা-সুবিধা কম থকা সত্বেও, আৰু মোবাল্লিগৰ সংখ্যা কম হোৱা সত্বেও আল্লাহ তায়লা অসাধাৰণ ফল দান কৰি আছে। ইয়াৰ মাজত বহুত লোক এনে আছে, যি সকলক আল্লাহ তায়লা নিজে সজ বাটৰ সন্ধান দিছে। সচাঁ সপোনৰ জৰিয়তে বহুতে হজৰত মছিহ মাওউদ (আঃ) আৰু জমাতৰ পৰিচয় লাভ কৰিছে লগতে তেখেত (আঃ) ৰ সত্যতা স্পষ্ট ভাৱে বুজি পাইছে। কিছুমান জমাতৰ সন্ধান পোৱাৰ পিছত ইস্তেখাৰাৰ জৰিয়তে আল্লাহ তায়লাৰ সহায় লাভ কৰি জমাতত অন্তৰ্ভক্ত হয়। কিছুমান মোবাল্লিগ, মোৱাল্লিম আৰু দাইয়ান সকলৰ বাবেও আমাৰ জমাতৰ ৰেডিও, টি.ভি, আদিৰ জৰিয়তে তবলিগ শুনে আৰু এই বাৰ্ত্তা শুনি তেওঁলোকৰ হৃদয়

আল্লাহ তায়লা উন্মোক্ত কৰি দিয়ে। কিছুমানে জমাতৰ বিৰুধীতা চাই তাৰ ফলাফল লক্ষ্য কৰি আহমদীয়াত গ্ৰহণ কৰে। কিছুমানক আল্লাহ তায়লা নির্দেশনও দেখুৱায়। আল্লাহ তায়লা হজৰত মছিহ মাওউদ (আঃ) ক কৈছে যে; মই তোক সন্মান প্ৰদান কৰিম আৰু প্ৰতিষ্ঠিত কৰিম । আল্লাহ তায়লা আকৌ কৈছে لا مبدل لكلماته যে কোনো নাই যিজনে খোদাতায়লাৰ সিদ্ধান্ত (কথা) সাল-সলনি কৰিব পাৰে। তেখেত (আঃ) ৰ জমাত বাঢ়ি যোৱা আৰু উন্নতি কৰা সম্পৰ্কে বহুকেইটা ইলহাম আছে। আল্লাহ তায়লা কৈছে যে মই কৃতকাৰ্য্যতা দান কৰিম, তোক ভাল পোৱা সকলৰ দল, (সংখ্যা) বৃদ্ধি কৰিম। আজি সেই অকলসৰীয়া ব্যক্তি জনৰ জমাত পৃথিৱী ব্যাপি বিস্তাৰ লাভ কৰিছে আৰু দিনক দিনে বাঢ়ি গৈ আছে। আল্লাহ তায়লা কেনেদৰে লোকসকলক সজ উপায় দান কৰিছে তাৰে কেইটামান দৃষ্টান্ত উল্লেখ কৰিবলৈ লৈছো।

কাজানৰ পৰা আমাৰ এজন মোবাল্লিগে লিখিছে যে, এজন বন্ধুৰ সৈতে আমাৰ তবলিগি সম্পৰ্ক হয়। তাৰ লগত প্ৰশ্ন উত্তৰ আদি আলোচনা হৈ থাকে। এনেদৰে কিছুদিন পিছত বয়াত গ্ৰহণ কৰে। উক্ত ব্যাক্তি জনে কয় যে আল্লাহ তায়লা মোক সপোনত দেখুৱাইছে যে মই স্বাম অঞ্চলত আছো আৰু দুটা দলৰ মাজত কাজিয়া চলি আছে এনেতে তৃতীয় এটা দল আহি সিহঁত দুয়োকে বুজাবলৈ ধৰিলে যে তোমালোকে পৰস্পৰে-পৰস্পৰক হত্যা কৰি আছা মানে অন্যায় কৰি আছা। গতিকে এই বিবাদ বন্ধ কৰি মিত্ৰতা কৰি লোৱা। তৃতীয় পক্ষৰ কথা শুনি তেওঁলোকে অস্ত্ৰ দলিয়াই পেলাই পৰস্পৰে পৰস্পৰক আলিঙ্গন কৰিবলৈ ধৰিলে। মই কোনোবাজনক সুধিলো যে এই তৃতীয পক্ষৰ লোক সকল কোন জমাতৰ লোক যিয়ে এই দুই দলক মিলাই দিলে। তেতিয়া মোক কলে যে এওঁলোকে জমাত আহমদীয়াৰ মানুহ। তাৰ পিছত মই বয়াত গ্ৰহণ কৰিলো।

ফ্ৰান্সৰ এজনী মহিলা মালিকা চাহিবা নিজৰ বয়াত গ্ৰহণৰ ঘটনা বৰ্ণনা কৰিবলৈ গৈ লিখিছে যে আমাৰ বংশধৰ আৰু আমাৰ ঘৰত সদায় আহমদীয়াৰ সম্পৰ্কে আলোচনা চলি থাকে যে অমুকাই আল্লাহ তায়লাৰ প্ৰদত্ত সপোনৰ জৰিয়তে সজ বাটৰ সন্ধান পাই জমাতৰ অন্তৰভূক্ত হ'ল। মই কেৱল কথাবোৰ শুনি থাকিছিলো কিন্তু কেতিয়াও এই বিষয়ে একো কোৱা নাছিলো। মই খোদা তায়লাৰ ওচৰত দোৱা কৰিছিলো যে, তুমি মোক জনোৱা যে আহমদীয়াত শুদ্ধ পথ হয়নে, নহয়। খোদা তায়লা মোক একে লেথাৰিয়ে তিনিটা সপোন দেখুৱালে। প্ৰথম সপোনত দেখিলো যে যেনিবা কিয়ামত উপস্থিত হৈছে আৰু চাৰিওফালে আৰ্তনাদ কিন্তু মোৰ ভাই ভনি যিসকলে আহমদী হৈছে তেওঁলোকৰ মাজত কোনো উৎকণ্ঠা নাই বৰং তেওঁলোকে আনন্দিত, ইফালে মই চিঞৰ বাখৰ কৰি আছো যে অৱস্থা বৰ বিপদজ্বনক। কিন্তু তেওঁলোক কৈ আছে যে আমি জমাতৰ ইজলাচলৈ যাব লাগিব। মই সেই সপোনতে ভয়ত পেপুৱা লাগি সিহঁতৰ মাজত সোমাই গলো। আন এটা সপোনত দেখিলো যে মোৰ আহমদী ভনী জনীয়ে মোক কৈ আছে নমাজ পঢ়িবা এয়া সজ বাট। তৃতীয়টো সপোনত দেখিলো যে মই মোৰ ভাই জনৰ সৈতে বহি আছো আৰু অনুভৱ কৰি আছো যেনিবা আল্লাহ তায়লা মোৰ হাতত কিবা এটা লিখি আছে। এই সপোনবোৰ দেখাৰ পিছত মোৰ হৃদয় কোনত বাজি উঠিল যে এয়ে জমাত আহমদীয়াৰ সত্যাতাৰ সম্পৰ্কেই সপোন। তাৰ পিছত মই বয়াত কৰিলো।

আব্দুল আজিজ তৰাবত্ৰ চাহাব (আইভৰিকোষ্ট) বৰ্ণনা কৰিছে যে এজন বৃদ্ধ মানুহ ওৱামৰা তৰাবৰ চাহাব এদিন সপোনত দেখিবলৈ পায় যে; তাৰ গাৱত আৰবীয়ান আহিছে। তেওঁলোকে অহাৰ বাবে কিছুমানে কবলৈ আৰম্ভ কৰিছে যে এওঁলোকে আচল আৰবীয়ান নহয়, তেওঁলোকৰ পৰা আঁতৰত থাকা। সপোনতে মোলৈ এটা শব্দ ভাহি আহিল যে যদি তুমি খোদা তায়লাক পাব বিচাৰে তেন্তে এওঁলোকৰ জৰিয়তেই পাবা। ইয়াৰে কেইদিন মান পিছত আহমদী মোবাল্লিগ এজন আমাৰ গাৱঁলৈ আহে আৰু তালৈ কিছুমানে কবলৈ আৰম্ভ কৰিলে যে এওঁলোকে মুছলমান নহয়, এওঁলোকৰ পৰা আঁতৰত থাকিবা, এয়া হ'ল আমাৰ মৌলবী সকলৰ ফতোৱা। ব্যাক্তি জনে এই অৱস্থা দেখাৰ লগে-লগে নিজে দেখা সপোনৰ কথা মনত পৰে আৰু তাৰে কেই দিন মান পিছত বয়াত কৰি জমাতৰ অন্তৰভূক্ত হয়।

কঙ্গো ব্ৰাজবিলৰ বশিৰ ছাকলা চাহাব কয় যে ২০১৪ চনত মই প্ৰথমবাৰ বছৰেকীয়া জলছাত অংশগ্ৰহণ কৰাৰ সুবিধা পাওঁ আৰু শুনিবলৈ পাওঁ যে হজৰত ঈছা (আঃ) য়ে মৃত্যুবৰণ কৰিছে আৰু তেওঁ জীৱিত অৱস্থাত আকাশৰ পৰা নামি নাহে। এয়াও জানিব পাৰিলো যে আঁহজৰত (ছাঃ) কৈছে যে; এসময়ত গৈ মুছলমান সকলে বিভিন্ন ফিৰকাত বিভক্ত হৈ পৰিব আৰু ইছলাম নাম মাত্ৰ বাকী থাকিব। সেই সময়ত হজৰত মছিহ মাওউদ (আঃ) আহিব আৰু তেখেতৰ জমাত হিদায়ত প্ৰাপ্ত হ'ব। তাৰ পিছত মই জমাতৰ কিতাপ পত্ৰ পঢ়িবলৈ ধৰিলো। সেই সময়ত মই এদিন ৰাতি সপোনত দেখো যে এজন মানুহে মোক

বগা আৰু গোলাপি ৰঙৰ এযোৰ সুন্দৰ কাপোৰ উপটোকন দিছে। আকৌ ৰমজান মাহত এবাৰ সপোনত দেখিলো মই এটা উচ্চ শ্ৰেণীৰ বাছ এটাত ভ্ৰমণ কৰি আছো। উক্ত সপোনৰ দ্বাৰা মই বুজিব পাৰিলো যে যি বাটত মই খোজ লৈছো সেয়া সজ বাট। তাৰ পিছত মই বয়াত গ্ৰহণ কৰি জমাতৰ অন্তৰ ভূক্ত হওঁ।

কিৰগিস্থানৰ বাসিন্দা আশ্বলিন ৰমিল চাহাবে বৰ্ণনা কৰিছে যে মই জন্মগত মুছলমান। মই কাম কৰি থকা ঠাইত জমাত আহমদীয়াৰ এজন সদৰৰ সৈতে মোৰ কথা বতৰা হয়। তেখেতৰ পৰাই মই ইছলামৰ গুঢ়াৰ্থ বুজিবলৈ আৰম্ভ কৰিলো। তেখেতৰ কথাৰ পৰা বুজিব পাৰিলো যে বৰ্তমান যুগত মুছলমান সকলে প্ৰকৃত ইছলামৰ ওপৰত আমল নকৰে। তেখেতৰ কথাৰ পৰা মই কোৰ'আন পঢ়িবলৈ আৰম্ভ কৰিলো। সেই সময়ত এদিন মই ৰাতি সপোনত দেখো যে মোৰ দেউতাকৰ বন্ধু এজন মোক ইংগিতেৰে কয় যে এই ঠাইত এটা নিদৰ্শন প্ৰস্ফুটিত হৈছে কিন্তু নিদৰ্শন সম্পৰ্কে কাকো নকবা কাৰণ উগ্ৰবাদী সকলে আহি এয়া ধংস কৰি দিব। মইও সেই নিচান দেখিলো। দেখিলো যে এখন বাগিছা তাত বহুতো পখিলা উৰি আছে। মনে-মনে মই ভাৱিলো আল্লাহ তায়লাৰ এই নিদৰ্শন মই কেনেকৈ লুকুৱাই ৰাখিম। তেতিয়া মই চৰাইৰ দৰে উৰিবলৈ আৰম্ভ কৰিলো। মই উৰি উৰি মোৰ দেউতাকৰ বন্ধুৰ ঘৰলৈ গলো, তেখেতে চাহ পান কৰি আছিল কিন্তু মোক দেখি এটা চৰাই বুলি ভাবিলে। মই তেখেতক তিনিবাৰ আল্লাহু আকবাৰ কলো। তেখেতে আচৰিত ভাৱে ভয় খালে যে, এই চৰাইটো কেনেকৈ কথা ক'ব পাৰে। আকৌ মই আকাশৰ ফালে উৰিবলৈ আৰম্ভ কৰিলো তেতিয়া মই চৰাইৰ পৰা ফিৰিস্তা লৈ ৰূপান্তৰিত হলো। আকৌ মই মাটিৰ ফালে চাই দেখিলো যে সকলো মানুহ মৰি গৈছে। তেতিয়া মই নিজৰ ঘৰৰ ফালে উৰিবলৈ ধৰিলো আৰু ঘৰৰ ভিতৰত সুমুৱাই যোৱাৰ সময়ত সাৰ পাই গলো। সপোনটো দেখাৰ পিছত মোৰ ভয় হ'ল আল্লাহ তায়লা মোক দৈৱ শক্তি দান কৰিছে তেতিয়া মই বয়াত কৰি জমাতৰ অন্তৰ্ভূক্ত হৈ পৰিলো। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় মই যিকেইটা উদাহৰণ আগবঢ়ালো সেয়া বিভিন্ন দেশৰ, বিভিন্ন লোকৰ মাজত সংগটিত হোৱা ঘটনা। কিন্তু সকলোকে এক ধৰণেই আল্লাহ তায়লা পথ নিৰ্দেশনা প্ৰদান কৰিছে। আল্লাহ তায়লা হজৰত মছিহ মাওউদ (আঃ) ক কৈছে যে মই তোমাৰ একান্ত বাধ্য আৰু হৃদয় প্ৰেমিক সকলৰ সংখ্যা বঢ়াই দিম।

আকৌ মিৰাকচৰ এজন আহমদী শুকুৰ চাহাবে লিখিছে যে; আহমদীয়তৰ সৈতে পৰিচয় হোৱাৰ প্ৰাথমিক দিনবোৰত মই ''লিকায়েমাআল আৰৱ'' নিয়মিত দেখিছিলো। এদিন মই সপোনত দেখিলো যে হজৰত খলিফাতুল মছিহ ৰাৱে (ৰহঃ) এখন পাহাৰৰ মুধচলৈ যোৱা বাটত গৈ আছে। তেখেতে বগা ৰঙৰ পাকিস্থানী পোছাক পৰিধান কৰা আছিল। মই হুযুৰৰ লগত খোজকাঢ়ি গৈ পাহাৰৰ মুধচ পালো আমি সেই পাহাৰৰ মুধচৰ পিছ ফালৰ পৰা অহা এটা প্ৰখৰ ৰশ্মি দেখিবলৈ পালো, যিটো আকাশৰ ফালে বিচ্ছুৰিত হৈ আছে, এনেকুৱা অনুমান হ'ল যে পূৱাতে সুৰ্য্য উদয় হৈ আছে। মই অলপ ভয় অনুভৱ কৰিলো। মোৰ খোজ মন্থৰ হৈ গ'ল। হজৰত খলিফাতুল মছিহ ৰাৱে নিৰ্দেশ দিলে যে মোৰ পিছে পিছে আহি থাকা ভয় নকৰিবা। আলহামদু লিল্লাহ ভয় আৰু বিপদৰ মাজেদি, মই এই সপোন অনুযায়ী; লিকায়ে মাআল আৰব, দেখি দেখি হুযুৰ (ৰহঃ) ৰ পিছে পিছে গৈ আহমদীয়াত গ্ৰহণৰ স্থানত উপস্থিত হলো।

আকৌ এজন বন্ধু ডক্টৰ ইজাজ কৰিম চাহাবে (আলজজায়েৰ) কয় যে মই ইছলামী শিক্ষাৰ বিকৃত ৰূপ কোৰ'আন কৰিমৰ ভুল তফছিৰ চাই উদাস হৈ পৰিছিলো। উলামা সকলৰ ব্যাখ্যা শুনি ভাৱিছিলো যে এয়া খোদা তায়লাৰ বাণী হ'ব পাৰেনে। আৰদানৰ এজন আহমদী বন্দুৰ জৰিয়তে আহমদীয়ত আৰু জমাতৰ প্ৰতিষ্ঠাতাৰ লিখনিৰ সৈতে মোৰ পৰিচয় হ'ল। হজৰত মছিহ মাওউদ (আঃ) ৰ তফছিৰে কোৰ'আন পঢ়াৰ আগতে নফল পঢ়ি দোৱা কৰিলো যে আল্লাহ তায়লা যেন সজ বাটৰ সন্ধান দিয়ে। সেই তফছিৰ মই পঢ়ি যিমানেই আগবাঢ়িব ধৰিলো মোৰ জ্ঞানৰ চকু মেল খাব ধৰিলে আৰু সেই শব্দ বিলাকৰ গভীৰতাই মোৰ শৰীৰত শিহৰণৰ সৃষ্টি কৰিব ধৰিলে। মোৰ বিশ্বাস উপজিল যে এয়া কোনো মানৱী বাণী নহয় বৰং ওহি ইলাহি নিশ্চয়। মই বয়াত কৰাৰ আগতে ইস্তেখাৰা কৰিলো। তাৰ পিছত সপোনত দেখিলো যে মই মোৰ বন্ধু সকলোৰ সৈতে ৰাতি এখন চহৰৰ মাজেদি গৈ আছো আৰু এটা পোহৰ আমালোকৰ লগত গৈ আছে। সেই সময়ত মোবাইল ফোনৰ ৰিংটন বাজি উঠিল আৰু ফোনলৈ চাই অনুমান হ'ল যে সেয়া ইমাম মাহদী (আঃ) ৰ ফোন নম্বৰ। মনতে সিদ্ধান্ত ললো যে মই ওলটাই এই নম্বৰত কল কৰো যদি তেখেতে ফোনত উত্তৰ নিদিয়ে তেন্তে তেখেতে সচাঁকৈয়ে নবী হয় নহলে নহয়। সপোনতে মনত এয়া

উপজিল যে নবীয়ে ফোনত উত্তৰ নিদিয়ে গতিকে মই ফোন কৰিব ধৰিলে কিন্তু তেখেতে ফোন নুউঠালে। তাৰ পিছত তেখেতে মোৰ সন্মুখত ভয়ানক ভাৱে চমকাই উঠি। মই কোৰ'আন কৰিমৰ আয়াত আৰু আউযুবিল্লাহ্ পাঠ কৰিবলৈ আৰম্ভ কৰিলো যাতে চয়তানে মোক মাহদীৰ বিষয়টো সন্দেহ যুক্ত কৰি দিব নোৱাৰে। তাৰ পিছত ভয়ৰ প্ৰকোপত মই সাৰ পাই উঠিলো। মোৰ বিশ্বাস উপজিল যে এই সপোন সচাঁ সেয়ে মই পিছত বয়াত কৰি জমাত ভূক্ত হলো।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আল্লাহ তায়লা মানুহক ইছলামৰ প্ৰকৃত শিক্ষাৰ ফালে লৈ আনি আছে আৰু ইনশা আল্লাহ্ এদিন গৈ হজৰত মছিহ মাওউদ (আঃ) ৰ জৰিয়তে প্ৰকৃত ইছলাম পৃথিৱীত বিজয় লাভ কৰিব। আল্লাহ্ তায়লা সকলোকে এই বৰকতৰ অংশ লবলৈ তৌফিক দান কৰক।

খোতবা জুমাৰ শেষত হুযুৰ আনোৱাৰ (আইঃ) য়ে জানাযা গায়েব পঢ়াৰ ঘোষনা কৰে। প্ৰথম জানাজা মকৰৰমা খুৰশিদ ৰুকিয়া চাহিবা পত্নী দৰবেশ মৰহুম, মৌলবী মনজুৰ আহমদ চাহাব গুনু। দ্বিতীয় জানাজা ডক্টৰ চালাহ্ উদ্দিন চাহাব (আমেৰিকা) তেওঁ মৌলবী ইমাম উদ্দিন চাহাব (মোবাল্লিগ ইণ্ডোনেচিয়া) ৰ পুত্ৰ আছিল। ১০ চেপ্তেম্বৰ ২০১৭ চনত হৃদ ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰে। ইন্নালিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন।

*********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 15 September 2017**

**BOOK POST (PRINTED MATTER)**

**To**

---------------------------------------------------------------------------
---------------------------------------------------------------------------
---------------------------------------------------------------------------
---------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737**